# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-01-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

শিক্ষা বিভাগে প্ৰাদেশীকীকৃত মাধ্যমিক বিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ নিযুক্তি পৰীক্ষা কাইলৈ অনুষ্ঠিত কৰিব। কাইলৈ দুয়োবেলা দুটা পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া পৰীক্ষাত স্নাতক পৰ্যায়ত ৩৯ হাজাৰ ২২৪ গৰাকী প্ৰাৰ্থী আৰু স্নাতকোত্তৰ পৰ্যায়ত ৩০ হাজাৰ ৩৫৮ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। টেট পৰীক্ষাৰ সময়ছোৱাত শান্তিশৃংখলা অটুট ৰখাৰ বাবে বিভিন্ন জিলাত কেতবোৰ নিৰ্দেশনা জাৰি কৰা হৈছে। জিলাসমূহত জাৰি কৰা নিৰ্দেশনা অনুসৰি পৰীক্ষা কেন্দ্ৰৰ পৰা ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত প্ৰাৰ্থী আৰু পৰীক্ষাৰ সৈতে জড়িত কৰ্তৃপক্ষৰ বাহিৰে আন ব্যক্তিৰ উপস্থিতি নিষিদ্ধ কৰা হৈছে। তদুপৰি পৰীক্ষাকেন্দ্ৰৰ চাৰিওফালে বাহন ৰখাৰ ব্যৱস্থা সীমিত কৰা হৈছে। পৰীক্ষা কেন্দ্ৰলৈ ম'বাইল ফোন, কেলকুলেটৰ, স্মাৰ্ট হাতঘড়ী, ব্লুটুথ আদি ইলেক্ট্ৰনিক সঁজুলি অনাৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে।

ooooo

ডিমা হাচাও জিলাৰ উমৰাংছ' আৰক্ষী থানাৰ অধীনৰ ১৯ কিলোমিটাৰ এলেকাৰ সমীপত আজি পুৱা এটা শোকাৱহ স্কুলবাছ দুৰ্ঘটনা সংঘটিত হয়। এটা চৰকাৰী বিবৃতিযোগে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ ক্ষেত্ৰ বিষয়াই জনাইছে যে এই দুৰ্ঘটনাত এগৰাকী ছাত্ৰীয়ে প্ৰাণ হেৰুৱাৰ লগতে ৬ গৰাকী ছাত্ৰ-ছাত্ৰী গুৰুতৰভাবে আহত হৈছে। আহত ছাত্ৰ-ছাত্ৰী সকলক জৰুৰীকালীন চিকিৎসাৰ বাবে হোজাই হাম চিকিৎসালয়লৈ লৈ যোৱা হয়। নিহত ছাত্ৰীগৰাকী ১০ বছৰীয়া দালিমাৰ ৰংহাংপি বুলি চিনাক্ত কৰা হৈছে। আনহাতে আহত ছাত্ৰ-ছাত্ৰীসকল হ'ল আৰ্কলিংছন হাঞ্চে, ফেলিহা চিংথংপি, সৰমুকৰং তেৰাং, দিব্যা ৰংহাংপি, ৰুপলিন ইংতিপি আৰু মালিন তেৰনপি। ইয়াৰ লগতে চৰকাৰী বিবৃতি অনুসৰি সামান্যভাৱে আহত আন ১৬ জন ছাত্ৰ-ছাত্ৰীক আৰক্ষীৰ লগতে এটা জৰুৰীকালীন সঁহাৰি দলে প্ৰাথমিক চিকিৎসাৰ ব্যৱস্থা কৰে। দুৰ্ঘটনাৰ কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই যদিও সম্পূৰ্ণ তদন্ত চলাই থকা হৈছে বুলি জিলাখনৰ প্ৰশাসনে জানিবলৈ দিছে। ঘটনাটোৱে সমগ্ৰ অঞ্চলতে শোকৰ ছাঁ পেলাইছে।

ooooo

মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীৰ নেতৃত্বত ৪০ জনীয়া ভকত-বৈষ্ণৱৰ এটা দল আজি প্ৰয়াগৰাজৰ মহাকুম্ভ মেলালৈ ৰাওনা হৈছে। এই উপলক্ষ্যে আজি পুৱা গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ পৰা উলিওৱা ভাগৱত শোভাযাত্ৰাত অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই অংশগ্ৰহণ কৰে। উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱসকলে প্ৰথমবাৰৰ বাবে মহাকুম্ভ মেলাত নামঘৰ, মণিকূট আৰু ৰাঙলি চ'ৰা নিৰ্মাণ কৰি উলিয়াইছে। একেদৰে কামাখ্যা মন্দিৰৰ এটি

আৰ্হিও নিৰ্মাণ কৰা হৈছে। ভকত-বৈষ্ণৱৰ এই দলটোৱে ভাগৱত পাঠ, অংকীয়া ভাওনা, সত্ৰীয়া নৃত্য আৰু নাম-প্ৰসংগ পৰিৱেশন কৰিব। দলটো পৰহিলৈ প্ৰয়াগৰাজত উপস্থিত হ'ব।

00000

নলবাৰী জিলাৰ বিল্বেশ্বৰ দেৱালয়ৰ বাকৰিত অসম নাট্য সন্মিলনৰ ৬৩ সংখ্যক মধ্যকালীন অধিবেশন কালিৰে পৰা অনুষ্ঠিত হৈছে। বিশিষ্ট নাট্যকাৰ তথা অসম নাট্য সন্মিলনৰ প্ৰাক্তন সম্পাদক ৰমেশ কুমাৰ হালৈয়ে এই অধিবেশন উদ্বোধন কৰে। অধিবেশনৰ আজি দ্বিতীয় দিনা কেন্দ্ৰীয় বিষয়ববীয়া, মণ্ডল আৰু জিলা সমিতিৰ বিষয়ববীয়া আৰু কেইবাগৰাকী নাট্যকৰ্মীয়ে ৬১ খন পতাকা উত্তোলন কৰে।

00000

বৰপেটাত আজিৰে পৰা তিনিদিনীয়াকৈ শংকৰী সাংস্কৃতিক ভাওনা দলৰ উদ্যোগত দ্বিতীয় বাৰ্ষিক ভাওনা সমাৰোহ অনুষ্ঠিত হৈছে। এই সমাৰোহৰ মথুৰাদাস বুঢ়া আতা ৰংগক্ষেত্ৰ দ্বাৰ উন্মোচন কৰে বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া গৌতম পাঠকে। ইয়াৰ লগতে অধিবক্তা দীপক দাসে ভাওনা সমাৰোহৰ স্মৃতি তৰ্পণ কৰে।

00000

মৰিগাঁও জিলাৰ পবিতৰা অভয়াৰণ্যত বন বিভাগ তথা প্ৰকৃতি প্ৰেমী সংগঠন আৰণ্যক আৰু আন কেইবাটাও বেচৰকাৰী সংস্থাৰ সহযোগত আজি জলচৰ পক্ষী গণনা কাৰ্যসূচী সম্পাদন কৰা হয়। ২০২৩-২৪ বৰ্ষত ৫৬টা প্ৰজাতিৰ প্ৰায় ৮ হাজাৰ পক্ষীৰ তুলনাত এইবাৰ প্ৰায় ১০ হাজাৰ প্ৰজাতিৰ পক্ষী আছে বুলি গণনাকাৰীসকলে প্ৰকাশ কৰিছে। অভয়াৰণ্যখনত পক্ষীৰ সংখ্যা বৃদ্ধি হোৱাৰ লগতে কেইবাটাও নতুন প্ৰজাতিৰ চৰাই দেখিবলৈ পোৱা গৈছে বুলি পবিতৰা অভয়াৰণ্যৰ বন আঞ্চলিক বিষয়া প্ৰাঞ্জল বৰুৱাই জানিবলৈ দিয়ে।

00000

ইণ্ডিয়ান ছুপাৰ লীগৰ  কোচিৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত আজি নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবে কেৰালা ব্লাষ্টাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। শেহতীয়া তিনিখন খেলত ড্ৰ' খেলা নৰ্থ ইষ্ট ইউনাইটেডৰ বাবে আজিৰ খেলখন গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। ২৪ পইণ্টেৰে তালিকাৰ পঞ্চম স্থানত থকা নৰ্থ ইষ্ট ইউনাইটেডে ইয়াৰ পূৰ্বে গুৱাহাটীত কেৰালা ব্লাষ্টাৰ্ছৰ বিৰুদ্ধে ড্ৰ' খেলিছিল।

00000

বৰপেটা জিলাৰ হাৰিঘাটা গাঁও নিবাসী বিশিষ্ট সমাজকৰ্মী প্ৰসন্ন কুমাৰ গোস্বামীৰ কালি নিজ বাসভৱনত দেহাৱসান ঘটে। অসম চৰকাৰৰ অধীনস্থ মথাউৰি আৰু বান নিয়ন্ত্ৰণ বিভাগত ১৯৫৫ চনত কৰ্মজীৱন আৰম্ভ কৰা প্ৰয়াত গোস্বামীয়ে ১৯৯২ চনত বিভাগৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। অৱসৰৰ পাছত বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ থকা গোস্বামীৰ মৃত্যুৰ সময়ত বয়স আছিল ৯৩ বছৰ।

00000

সমাপ্ত